**গল্প**

## নিসংগতাৰ সিপাৰে

ৰূপজ্যোতি গগৈ

আচলতে ৰ'দ আৰু ধুমুহাৰ বৰ্ম পিন্ধা নাৰীবোৰ একোজনী পাৰ চৰাইৰ দৰে কোমল, পানীপিয়া চৰাইজনীৰ বৰষুণলৈ হোৱা অপেক্ষাৰ দৰে মৰম আকলুৱা — এই কথা প্ৰথমে ঘৰখনে, তাৰপাছত সমাজখনে পাহৰি পেলায়।"

— অনুৰাধা শৰ্মা পূজাৰী, ইয়াত এখন অৰণ্য আছিল।

পঢ়ি থকা কিতাপখন আকৌ মেলি ল'লে তাই। কিছুসময়ৰ আগত এৰি যোৱা অংশটো আকৌ এবাৰ পঢ়ি তাই অনুভৱ কৰিলে লেখকে বাৰু ইমান নিখুঁত কৈ কেনেকৈ মনৰ ভাববোৰ প্ৰকাশ কৰে? এয়া যে কেৱল উপন্যাসখনৰ নায়িকাৰ কথা নহয়, এয়া যেন তাইৰো মনৰ কথা!

অজানিতে বুকুৰ মাজেৰে তাইৰ হুমুনিয়াহ এটা সৰকি গ'ল!

তাই বাৰু নিজেও পাহৰি পেলাইছে নেকি নিজৰ মৰম আকলুৱা মনটোৰ কথা? আচলতে, কিছুমান কথা, কিছুমান ছবি মানুহে নিজৰ মাজত নিজেই ধাৰণ কৰি থাকে অজানিতে। এই যে প্ৰতিপলে বাঢ়ি অহা কোনোবাজনৰ সাংঘাতিক কৰ্ম ব্যস্ততাই আনজনক বাৰু কৰি তোলে নেকি নিঃস্ব, অসহায়? তাই ভাবে বহুসময়ত একেলগে থকাৰ পাছতো, এজন আনজনৰ আজীৱন সুখ-দুখৰ সংগী বুলি কোৱাৰ পাছতো দুয়োৰে মাজত কিমান কথা কওঁ বুলিও থাকি যায় নিৰৱে - নিঃশব্দে। সময় হয়তো এটা অজুহাত! কিন্তু এজনে ক'ব বিচৰা কথাবোৰো কেতিয়াবা ৰৈ যায়, কওঁ কওঁ ভাবি থাকোতেই নতুন কথা ওলায় আৰু কিছু কথা কোৱাৰ প্ৰয়োজনীয়তাই শূন্য হৈ পৰে।

আজিকালি কাৰো সৈতে অভিমান নকৰে তাই। কৰেই যেনিবা অভিমান ভাঙিবলৈ আহৰি আছে জানো কাৰোবাৰ? আৰু খং? না বাবা না, সেই অনাও থাকে যদি নিজৰ ওপৰতে থাকে তাইৰ। মাত-বোলহীন ঘৰখনত নিজকে ভোৰভোৰাই, কেতিয়াবা আনকি গান একোটা গুণগুণাই তাই গিলি থয় নিজৰ খং, নিজৰ অভিমান। অথচ এটা সময় আছিল তাইৰ ক্ষণিক নিৰৱতাৰ ভাষাও কেনেকৈ পঢ়ি পেলাইছিল আপোনজনে! এতিয়া বাৰু সময় সলনি হ'ল নে মানুহৰ মন? তাই নাজানে।

আজিও, হয় আজিও বুকুৰে উজাই অহা একধৰণৰ আক্ষেপ নাইবা উপেক্ষা তাই নিজেই নিজৰ মাজতে সামৰি এইয়া কিতাপখন লৈ পঢ়িবলৈ বহিল।

"কিতাপ মানুহৰ শ্ৰেষ্ঠ বন্ধু। সকলো বন্ধুৱে তোমাক এৰি গ'লেও কিতাপে তোমাক এৰি নাযায়, যদিহে তুমি তেওঁক এৰা নিদিয়া।" — কোনে জানো কৈছিল কথাষাৰ তাইৰ মনত নাই যদিও কথাষাৰ তাইৰ মনত শিপাই ৰৈছিল তাহানিতে। তাই মনে মনে আজিও দেউতাকক কৃতজ্ঞতা জনাই সৰুতেই তাইৰ মনত কিতাপৰ প্ৰতি এই অনুৰাগ জগাই তোলাৰ বাবে।

কেতিয়াবা তাই ভাবে কিতাপ পঢ়াৰ নিচাটো যদি তাইৰ মনত নাথাকিলেহেঁতেন তাই বাৰু কেনেকৈ তাইৰ এই নিসংগ অলস সময়বোৰ পাৰ কৰিলেহেঁতেন!!

মানুহজন ব্যস্ত নিজৰ কৰ্মক্ষেত্ৰত। বহুজাতিক কোম্পানীৰ কৰ্মচাৰী মানুহজনৰ কামৰ ব্যস্ততা দেখিলে বহুসময়ত তাইৰ দুখ লাগে। একো এটা সহযোগ কৰি দিব নোৱৰা বেথাই কেতিয়াবা তাইক কষ্ট দিয়ে। আনহাতে দিনে দিনে বাঢ়ি অহা তেওঁৰ এই ব্যস্ততাই তাইক কৰি তোলে অধিক নিসংগ, অধিক একাকী। আৰু তেনে সময়ত তাই অজানিতে সাবটি লয় কলমটো, বহীখন নহ'লে কিতাপ এখন। আৰু স্মাৰ্টফোনটো?

অৱশ্যে তাই পাৰে আৱাসৰ আন বহুকেইগৰাকী মহিলাৰ দৰে তায়ো ব্যস্ত হ'ব পাৰে মাহেকীয়া - পষেকীয়া কিটি পাৰ্টি, লেডিজ ক্লাৱ এইবোৰত। কিন্তু এইবোৰৰ অন্তৰালত যেতিয়া দামী পোছাক, দামী ঘড়ী, ঘৰ - গাড়ী , গিৰিহঁতৰ ষ্টেটাচ আদিবোৰেই মুখ্য বিষয় হৈ পৰে তাই আঁতৰি আহে নিৰৱে আৰু শামুকৰ দৰে নিজকে বন্দী কৰে নিজৰ মাজতে।

আজি পিছে তাইৰ মনৰ ক্ষোভ, যাতনাৰ কাৰণ কিছু ভিন্ন।

আবেলিৰ বেলি লহিওৱাৰ সময়কণ আন বহুতৰ দৰে তাইৰো প্ৰিয়। তাইৰ আৱাসিক গৃহৰ শেষ সীমাত থকা চেগুন কেইজোপাৰ আঁৰে আঁৰে অদূৰৰ বিস্তীৰ্ণ চাহবাগিচাৰ আঁৰত আৰক্তিম ৰূপ লৈ বেলিটোৱে বিদায় মাগে। ওপৰৰ ঝালিকম্ ৰাত বহি নিশব্দে তাই পাণ কৰে বেলি ডুবাৰ সেই অতুল সৌন্দৰ্য্য। আৰু সেই বেলি মাৰ যাব ধৰা ক্ষণতে প্ৰায়ে তেওঁও আহি তাইৰ কাষত বহে। একাপ ৰঙা চাহ সন্মুখত লৈ দুয়ো দিনটোৰ কৰ্মৰাজিৰ খটিয়ান লয়। দহ পোন্ধৰ মিনিট কেতিয়াবা আধা ঘণ্টা দুয়ো একেলগে কটাই তেওঁ পুনৰ নিজৰ কৰ্মক্ষেত্ৰলৈ ৰাওনা হয়। নামত যদিও মাত্ৰ অলপ সময় কিন্তু তাই ভাবে এই এটা পলে তেওঁৰ দিনটোৰ ফিল্ডৱৰ্কৰ অলপ হ'লেও সকাহ দিয়ে আৰু সন্ধিয়া অফিচৰ কামৰ বাবে সতেজ হয়। আৰু তাইৰো জানো দিনটোৰ অপেক্ষাৰ পূৰ্ণ নহয়!

আজিও তেনেদৰে চাহ একাপ খাম খাম বুলি তাই প্ৰতীক্ষাৰত। কিন্তু আবেলি গৈ সন্ধ্যা হ'ল, সন্ধ্যাৰ পৰা ক্ৰমে যেন ৰাতি গৰকিলে। চাহ খাবলৈ আহিবলৈ আহৰি নাপালে মানে নিশ্চয় বচৰ নতুন কিবা অৰ্ডাৰ আহিল। নতুনকৈ অহা বচজন বহু বেছি কৰ্মতৎপৰ আৰু কঠোৰ বুলি ইতিমধ্যে তাই জানিব পাৰিছে। তাইৰ নিজকে অপৰাধী অপৰাধী লাগিল সিহঁতৰ বাবেই মানুহজনে ইমান কষ্ট কৰিছে অথচ তাই ! তাই খৰ-খেদাকৈ তেওঁৰ পছন্দৰ উপকৰণেৰে ৰাতিৰ সাঁজৰ বাবে ৰান্ধিবলৈ জো-যা কৰিলে। মানুহজন আহিলে পছন্দৰ এসাঁজ খাই খাই হেঁপাহৰ কথা পাতিব! তাই পঢ়া কিতাপখন, নতুনকৈ ফুলিব ধৰা বাগিচাৰ নতুন জাতৰ গোলাপজোপা , জীয়েকে কৰিবলৈ লোৱা নতুন কৰ্ম সূচী, দিনটোৰ কিমান যে কথা গোট খাই থাকে!

শেষত, হয় আনদিনাতকৈ কিছু পলমকৈ ভাত খাবৰ পৰতে সোমালহি মানুহজন।

—" আজি সুবিধা পাই অনলৰ ঘৰতে এপাক সোমালোঁ। তাৰ ল'ৰাৰ ৰিজাল্টৰ পাৰ্টি খালোঁ। সেয়ে আবেলি আৰু ঘৰলৈ নাহিলোঁ! " উৎসাহেৰে কোৱা মানুহজনৰ কথাষাৰ তাইৰ বুকুত কিন্তু শূল হৈ বিন্ধিলে।

তাৰমানে কেৱল চাহ-ভাতৰ ভোক পূৰাবলৈহে মানুহৰ ঘৰলৈ মনত পৰে নেকি??? তাইৰ নিজলৈকে পুতৌ জন্মিল। অতপৰে তাইতো তেওঁৰ কষ্টৰ কথা ভাবিয়েই মনটো অস্থিৰ হৈ আছিল! তেওঁ কি তাইৰ অপেক্ষাৰত দুচকুৰ ভাষা আজিও বুজি নাপালে? কিয় তেওঁ হাতত অনবৰতে লাগি থকা ফোনটোৰ পৰা ক'ল এটা কৰিব নোৱাৰিলে?

তাইৰ মনৰ মাজত থকা সহমৰ্মিতা কিম্বা বিষাদ বেদনাবোৰ নিমিষতে প্ৰচণ্ড ক্ষোভলৈ ৰূপান্তৰ হ'ল যদিও তাই মুখেৰে একো নামাতিলে।

মানুহজন ইতিমধ্যে বিছনাত পৰিছে। পুৱা ছয় বজাৰ পৰা আঠ বজালৈকে অফিচ, ফিল্ডৰ কাম কৰি তেওঁ প্ৰায়ে লবেজান হৈ ঘৰ সোমায়। দুপৰীয়া আৰু আৰু আবেলি অৱশ্যে চাহ ভাতৰ বাবে মুঠ দুঘণ্টামান জিৰণি পায়। কিন্তু আজি কিছুদিন নতুন জি এম, নতুন এম ডি আদিৰ বাবে সেই আহৰিৰ সময় কমি গৈছে। স্বাভাৱিকতে কামৰ প্ৰেচাৰত ঘৰলৈ দিয়া সময় কমি গৈছে। কথাটো তেওঁৰ বাবে কিমান গুৰুত্বপূৰ্ণ তাই নাজানে যদিও নিজেই নিজক নিচুকাই থাকিবলৈ তাইৰ কিছু কষ্ট হয়।

" জীয়াই থাকিবলৈ চাৰিটা বস্তুৰ খুবেই প্ৰয়োজন, কৰিবলৈ ভাল কাম এটা, ভাল পাবলৈ হৃদয় এখন, নেহেৰুৱাবলৈ বিশ্বাস এটা আৰু কালিলৈ কিবা এটা ভাল হ'ব, তেনেকুৱা আশা এটা।"

— 'নামত মাজুলী কহয় সৰে'

— জয়ন্ত মাধৱ বৰা।

তাই পঢ়ি থকা কিতাপখন সামৰি হাতত কলমটো লৈ ডায়েৰীখন মেলি ল'লে। বিশ্বাসী বন্ধুজনে হাত মেলি তাইৰ হাতত খামুচি ধৰিলে। —" কালিলৈ এটা ৰঙীন পুৱাই তাইলৈ বাট চাই আছে! "

ই-মেইল আইডিঃ rupjyotigogoi1977@gmail.com